# 2022

## ASSAMESE

## ( Honours )

Paper : ASM–HC–3026

**( Asamiya Kabitar Chaneki )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) মাধৱ কন্দলীয়ে জনসমাজত কি বুলি খ্যাতি লাভ কৰিছিল ?

(খ) দুৰ্গাবৰ কায়স্থই লিখা এখন গ্ৰন্থৰ নাম লিখা।

(গ) দণ্ডকা অৰণ্য ক'ত আছিল ?

(ঘ) শংকৰদেৱ বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ বিষয়বস্তু ক'ৰ পৰা গ্ৰহণ কৰা হৈছিল ?

(ঙ) কোনখন গ্ৰন্থক মহাপুৰুষ শংকৰদেৱৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন বুলি কোৱা হয় ?

(চ) প্ৰাচীন অসমীয়া কবিসকলৰ ভিতৰত সকলোতকৈ সৰহ সংখ্যক পদ ৰচনা কৰা কবিগৰাকীৰ নামটো লিখা।

(ছ) ‘দ্ৰৌপদীৰ বিলাপ’ কাব্যাংশ ক’ৰ পৰা লোৱা হৈছে?

(জ) চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘বীণ ব’ৰাগী’ কবিতাপুথিৰ কবিতাসমূহ প্ৰথমতে কোনখন আলোচনীত প্ৰকাশ পাইছিল ?

(ঝ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কিমান চনত জন্ম হৈছিল ?

(ঞ) ‘মনাই বৰাগী’ নামৰ কবিতাপুথিখনত কোনগৰাকী কবিৰ কবিতা প্ৰকাশ পাইছে?

(ট) কোনগৰাকী অসমীয়া কবিক ‘যুগসন্ধিৰ কবি’ বুলি কোৱা হয়?

(ঠ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ দিশ নিৰ্দৰ্শন কৰা আলোচনীখনৰ নামটো লিখা।

(ড) নৱকান্ত বৰুৱাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ?

(ঢ) নৱকান্ত বৰুৱাৰ প্ৰথম প্ৰকাশিত কবিতাপুথিখনৰ নাম কি ?





(ণ) ‘ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য’ নামৰ কবিতাপুথিখনৰ ৰচক কোন ?

(ত) নীলমণি ফুকনৰ প্ৰথম কাব্যপুথি ‘সূৰ্য হেনো নামি আহে এই নদীয়েদি’ কিমান চনত প্ৰকাশ পাইছিল ?

(থ) “উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাসেই কবিতা।”

কবিতা সন্দৰ্ভত এই সংজ্ঞাটি কোনে আগবঢ়াইছে?

(দ) কবিতাৰ ক্ষেত্ৰত ‘জ্ঞানপীঠ বঁটা’ লাভ কৰা অসমীয়া কবিগৰাকীৰ নামটো লিখা।

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) “সৰ বৃক্ষে বাহ্রয় মাসৰ ফল ধৰে।
আশেষ চটকে পৰি পৰি ৰোল কৰে॥”

ইয়াত থকা ‘বাহ্রয়’ আৰু ‘চটকে’ শব্দ দুটাৰ অৰ্থ লিখা।

(খ) “সুৰভি-শীতল বহে মলয়া পৱন।
তাহাত ভ্ৰমিয়া ফুৰে যত পক্ষীগণ॥”

এই কবিতাংশ কোনগৰাকী কবিৰ, কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে?

(গ) শংকৰদেৱ ৰচিত দুখন কাব্যৰ নাম লিখা।

(ঘ) ৰামসৰস্বতী ৰচিত দুখন বধকাব্যৰ নাম লিখা।

(ঙ) ''প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।'' এই মন্তব্যটি কোনে, কাৰ কবিতাপুথিৰ প্ৰসঙ্গত কৰিছিল?

(চ) 'কাৰবালা' আৰু 'সাগৰ দেখিছা' কাব্যগ্ৰন্থ দুখনৰ কবি দুগৰাকীৰ নাম লিখা।

(ছ) ৰোমাণ্টিক কবিতাৰ কল্পনা আৰু ভাববিলাসৰ পৰা আঁতৰি অসমীয়া কবিতাক নতুন যুগৰ বাণীবাহক ৰূপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা দুগৰাকী কবিৰ নাম লিখা।

(জ) ''বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰুৰ ফুল।''
ইয়াত থকা 'বন-নহৰু' শব্দটোৰ অৰ্থ লিখা।

(ঝ) 'মেজাংকৰিৰ এঙাচোলা' বুলিলে কি বুজা?

(ঞ) আধুনিক অসমীয়া কবিতাত একান্ত নিজস্ব চিত্ৰকল্প, প্ৰতীক, ভাবানুষংগ আদি ব্যৱহাৰ কৰা দুগৰাকী কবিৰ নাম লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ''বসন্ত সময়ে কাম ৰাজাৰ পয়ান।
পুষ্পৰ ধনুত আৰোহিয়া পাঞ্চবাণ॥
ভাৰ্য্যা পুৰুষৰ কামবাণে কৰে লখ।
বিৰহীজনৰ ভৈল সহন আসখ॥''

(খ) ''কিবা মোৰ কুৰূপ দেখিলা কোনো দোষ।
আমাক যে এতমান কৰা অসন্তোষ॥''





(গ) ''ফুলে উতপল নক্ষত্ৰ সকল
আকাশত দিল দেখা।
আৰো চাৰি কাৰ্য্য শৰতে সাধিলে
শুনা দেওঁ তাৰ লেখা॥''

(ঘ) ''মাধৱৰ গৈয়া সমীপত দ্ৰুপদ নন্দিনী উপগত
মাথে বস্ত্ৰ দিয়া বচন বুলিলা শোকে।
দেখা দেখা মোক দামোদৰ অনাথিনী নাহি মোতপৰ
দেখিলে বিপত্তি কুৰু সমাজৰ লোকে॥''

(ঙ) ''ব্যথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৰা তপত উচ্ছ্বাস,
কোনেবা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস?''

(চ) ''আগ বাৰিষাৰ বা ৰিব্ ৰিব্
বতাহৰ দৰে তোমাৰ হাঁহি,
উলাহতে তাৰ নাচিছে কলং
বিহ মেটেকাই মেলিছে পাহি।''

(ছ) ''আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু।''

(জ) ''দীঘল বাট, পকী বাট, অনোৱা
বনোৱা বাট।
যি বাটে নগ'লো সেয়েহে ভাল।''

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) প্ৰাচীন অসমীয়া কবিতাৰ বিশেষত্বসমূহ সামৰি এটি নাতিদীৰ্ঘ আলোচনা যুগুত কৰা।

(খ) মাধৱ কন্দলীৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ মাজেৰে প্ৰাকৃতিক শোভা-সৌন্দৰ্য কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

(গ) শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' কবিতাটিত শৰৎকালৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঘ) ৰামসৰস্বতীৰ 'দ্ৰোপদীৰ বিলাপ' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(ঙ) ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ সামৰি এটি আলোচনা যুগুত কৰা।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰকৃতি' কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ লক্ষণ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ছ) ৰঘুনাথ চৌধাৰীৰ কাব্যকৃতিৰ পৰিচয় দি 'অন্তিম জ্যোতি' কবিতাটিৰ মূলভাৱ লিখা।

(জ) সাম্প্ৰতিক অসমীয়া কবিতাত ব্যৱহৃত চিত্ৰকল্প, প্ৰতীক, ভাবানুষংগ আদি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।





(ঝ) নৰকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ মূলভাৱ লিখি ইয়াত ব্যৱহাৰ হোৱা প্ৰতীক সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঞ) নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাটিৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

★★★